# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-12-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সুৰক্ষাক অৰ্থনৈতিক বিনিয়োগ আৰু বিকাশৰ চালিকা শক্তিসমূহৰ অন্যতম বুলি অভিহিত কৰিছে।

২। ৰাষ্ট্ৰপতিয়ে আজি ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰসমূহ প্ৰদান কৰে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে অলপতে প্ৰণয়ন কৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ আৰু জীৱিকা নিশ্চিতকৰণ আইনখনক ঐতিহাসিক আখ্যা দিছে।

৪। ভাৰত পুনৰ আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থালৈ নিৰ্বাচিত হৈছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল বিশাখাপট্টনমত অনুষ্ঠিত হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সুৰক্ষাক অৰ্থনৈতিক বিনিয়োগ আৰু বিকাশৰ চালিকা শক্তিসমূহৰ অন্যতম বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি চোৰাংচোৱা ব্যুৰ'ৰ শতবাৰ্ষিকী উপলক্ষে আয়োজিত বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সমৃদ্ধিশালী ভাৰত গঢ়াৰ দিশৰ পৰা সুৰক্ষিত ভাৰত জৰুৰী। শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰত বহুমুখী সুৰক্ষা প্ৰত্যাহ্বান আৰু ভাবুকিৰ সন্মুখীন হৈছে। তেওঁ কয়, যে সীমান্ত অঞ্চলৰ উত্তেজনা, সন্ত্ৰাসবাদ, উগ্ৰবাদ আৰু মৌলবাদ পৰম্পৰাগতভাৱে দেশৰ বাবে সুৰক্ষা উদ্বেগৰূপে পৰিগণিত হৈ আহিছে। শেহতীয়া কেইটামান বছৰত চাইবাৰ অপৰাধ গুৰুতৰ সুৰক্ষা ভাবুকিৰূপে পৰিগণিত হোৱা বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ যিকোনো ঠাইত দেখা দিয়া সুৰক্ষাৰ অভাৱৰ অৰ্থনৈতিক প্ৰভাৱ সেই অঞ্চলৰ চৌপাশৰ এলেকাসমূহতো পৰিলক্ষিত হয়। তেওঁ কয়, যে বাওঁপন্থী উগ্ৰবাদ প্ৰায় উৎখাট হৈছে। দেশৰ অভ্যন্তৰীণ সুৰক্ষাৰ সৈতে জড়িত বাহিনী আৰু সংস্থাসমূহে গ্ৰহণ কৰা ব্যাপক ব্যৱস্থাৰ বাবেই বাওঁপন্থী উগ্ৰবাদ প্ৰায় সমাপ্ত হ'বলৈ ওলাইছে। বিভিন্ন উদ্যমৰ মাজেৰে সম্প্ৰদায়সমূহৰ আস্থা জয় কৰাৰ বাবে সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰা হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে জনজাতীয় বসতিপ্ৰধান আৰু দূৰণিবটীয়া এলেকাসমূহৰ আৰ্থ-সামাজিক অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়াৰ প্ৰসাৰ, বাওঁপন্থী উগ্ৰবাদী আৰু বিদ্ৰোহী গোটসমূহৰ দ্বাৰা জনসাধাৰণৰ শোষণৰ বিৰুদ্ধে ফলপ্ৰসূ উপায় হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে সামাজিক মাধ্যমে তথ্য আৰু যোগাযোগ খণ্ডলৈ আমূল পৰিৱৰ্তন আনিছে। ইয়াৰ মাজত সৃষ্টি আৰু বিনাশ উভয়ৰে সম্ভাৱনা নিহিত হৈ আছে বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে জনসাধাৰণক ভুৱা তথ্যৰ পৰা সুৰক্ষিত কৰাটো অতিকে প্ৰত্যাহ্বানমূলক কাম। এই কাম নিৰন্তৰ আৰু ফলপ্ৰসূভাৱে কৰিব লাগে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ

লগতে ৰাষ্ট্ৰৰ হিতৰ বাবে তথ্য আধাৰিত ব্যাখ্যা আগবঢ়োৱা সক্ৰিয় সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ সম্প্ৰদায় গঢ়ি তুলিব লাগে বুলি মন্তব্য কৰে। ৰাষ্ট্ৰপতিয়ে লগতে দেশৰ অভ্যন্তৰীণ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে চোৰাংচোৱা ব্যুৰ'ৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ চোৰাংচোৱা ব্যুৰ'ক অদৃশ্য নায়কৰ সংস্থা বুলি অভিহিত কৰে। শ্ৰীমতী মুৰ্মুৱে কয়, যে চোৰাংচোৱা ব্যুৰ'ই জনসাধাৰণক সুৰক্ষা প্ৰদান আৰু দেশৰ একত-অখণ্ডতা নিশ্চিত কৰাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী বন্দী সঞ্জয় কুমাৰ আৰু গৃহ সচিব গোবিন্দ মোহন উপস্থিত থাকে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰসমূহ প্ৰদান কৰে। বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনৰ ক্ষেত্ৰত আগবঢ়োৱা অভূতপূৰ্ব অৱদানৰ বাবে দেশৰ এই সন্মান প্ৰদান কৰা হয়। বিজ্ঞান ৰত্ন, বিজ্ঞানশ্ৰী, বিজ্ঞান যুৱ-শান্তিস্বৰূপ ভাটনাগৰ আৰু বিজ্ঞান টীম - এই চাৰিটা শিতানত এই বঁটা প্ৰদান কৰা হয়। পদ্ম বিভূষণ সন্মানেৰে সন্মানিত প্ৰফেচাৰ জয়ন্ত বিষ্ণু নাৰলিকৰক মৰণোত্তৰভাৱে বিজ্ঞানৰত্ন সন্মানেৰে বিভূষিত কৰা হয়। ৮ গৰাকী বিজ্ঞানীক বিজ্ঞানশ্ৰী আৰু ১৪ গৰাকী যুৱ বিজ্ঞানীলৈ বিজ্ঞান যুৱ-শান্তিস্বৰূপ ভাটনাগৰ সন্মান আগবঢ়োৱা হয়। চি এছ আই আৰৰ এৰ'মা মিছনে টীম শিতানৰ সন্মান লাভ কৰে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে অলপতে প্ৰণয়ন কৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ আৰু জীৱিকা নিশ্চিতকৰণ আইন, **জী ৰামজী**ক ঐতিহাসিক বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰীয় কৃষক দিৱস উপলক্ষে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ বিভিন্ন প্ৰান্তৰ খেতিয়কসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আইনখনে কৃষক আৰু শ্ৰমিকসকলৰ কল্যাণৰ গতি ত্বৰান্বিত কৰিব। আইনখনত কৃষক আৰু শ্ৰমিকসকলৰ কল্যাণৰ বাবে কঠোৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। নতুন আইনখন পূৰ্বতে ৰূপায়িত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আইনখনতকৈ শক্তিশালী বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে জী ৰামজী আইনখনে খেতিৰ বতৰত কৃষি শ্ৰমিকৰ উপলভ্যতা নিশ্চিত কৰিব। আইনখনৰ অধীনত নিয়োগৰ দিন পূৰ্বৰ ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চলিত বৰ্ষত এই আইনৰ অধীনত ১ লাখ ৫১ হাজাৰৰো অধিক টকাৰ প্ৰস্তাৱ দিয়া হৈছে।

০০০০০

ভাৰত পুনৰ আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থা আই চি এ অ'লৈ নিৰ্বাচিত হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ দপ্তৰৰ মন্ত্ৰী ৰাম মোহন নাইডুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় অসামৰিক বিমান পৰিবহণ খণ্ডই বিশ্ব পৰ্য্যায়ত অভূতপূৰ্ব স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীনাইডুৱে কয়, যে তেওঁ আই চি এ অ'ৰ নো-কাউণ্ট্ৰি লেফ্‌ট বিহাইণ্ড উদ্যমৰ ক্ষেত্ৰত ভাৰতৰ সমৰ্থনৰ সমীক্ষা কৰিছে। ভাৰতে উন্নয়নশীল দেশলৈ সহায় আগবঢ়োৱা গুৰুত্বপূৰ্ণ সহযোগী হিচাপে পৰিগণিত হোৱা বুলি তেওঁ মন্তব্য কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে সম্পাদিত ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিক ঐতিহাসিক সাফল্য বুলি অভিহিত কৰাৰ লগতে চুক্তিখনক মহিলাৰ নেতৃত্বত হোৱা দেশৰ প্ৰথমখন মুক্ত বাণিজ্য চুক্তি বুলি মন্তব্য কৰিছে। চুক্তিখনৰ মধ্যস্থতাকাৰী দলৰ প্ৰায় আটাইকেইগৰাকী সদস্য মহিলা আছিল বুলি তেওঁ মন্তব্য কৰে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলৰ এটা প্ৰৱন্ধ শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে দেশে সম্প্ৰতি সম্পাদিত কৰা মুক্ত বাণিজ্য চুক্তিসমূহ শুল্ক কৰ্তনতে সীমিত নহয়, বৰং দেশৰ অৰ্থ-ব্যৱস্থা শক্তিশালী কৰা আৰু লাখ লাখ জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰা অভিযানৰো অংশ।

শ্ৰীগোৱেলে তেওঁৰ প্ৰৱন্ধটোত এই ঐতিহাসিক বাণিজ্য চুক্তিখনৰ জৰিয়তে দেশে বাণিজ্যিক কূটনীতিৰ ক্ষেত্ৰত এঢাপ আগুওৱা বুলি অভিহিত কৰিছিল।

০০০০০

বিজেপিয়ে বিদেশত ভাৰতৰ ভাৱমূৰ্তি ম্লান কৰাৰ বাবে কংগ্ৰেছ নেতা তথা লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ শ্বহজাদ পুণাৱালাই কয়, যে শেহতীয়া কেইটামান বছৰত শ্ৰীগান্ধীয়ে বিদেশত বাৰে বাৰে এনে মন্তব্য দিছে, যাৰ বাবে দেশৰ ছবি ম্লান পৰিছে। শ্ৰীগান্ধীয়ে প্ৰায়ে ভিত্তিহীন অথবা অযুক্তিকৰ মন্তব্য আগবঢ়োৱা বুলি তেওঁ অভিযোগ তোলে।

দেশৰ নিৰ্মাণ খণ্ডৰ উৎপাদন হ্ৰাস পোৱা বুলি ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ উত্তৰত বিজেপিৰ মুখপাত্ৰগৰাকীয়ে কয়, যে দেশৰ বৈদ্যুতিন খণ্ডৰ নিৰ্মাণ ছগুণ বৃদ্ধি পাইছে। শেহতীয়া কেইটামান বছৰত বৈদ্যুতিন সা-সামগ্ৰীৰ ৰপ্তানি ৮ গুণ বৃদ্ধি পোৱা বুলি তেওঁ দাবী কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দুপৰীয়া শ্ৰীলংকাৰ বৈদেশিক মন্ত্ৰী ভিজিতা হেৰাথক সাক্ষাৎ কৰে। এই বৈঠকত শ্ৰীলংকাৰ স্বাস্থ্য মন্ত্ৰী নলিন্দা জয়, শ্ৰম আৰু উপ-বিত্ত মন্ত্ৰী অনিল জয়ন্ত, উপ-পৰ্য্যটন মন্ত্ৰী ৰুৱান ৰাণাসিংহক সাক্ষাৎ কৰে। সাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে ঘূৰ্ণী বতাহ ডিট্বাহৰ পাছত শ্ৰীলংকাৰ পুনৰুদ্ধাৰ আৰু পুনৰ নিৰ্মাণৰ বাবে ভাৰতৰ সম্পূৰ্ণ সমৰ্থন পুনৰবাৰ প্ৰকাশ কৰিছে। লগতে ভাৰতে আগবঢ়োৱা পুনৰনিৰ্মাণ পেকেজৰ বাস্তৱায়ন আৰু অধিক সাহায্য ব্যৱস্থাৰ বিষয়েও উল্লেখ কৰে। পৰৱৰ্তী সময়ত শ্ৰীলংকাত থকা ভাৰতীয় ব্যৱসায়ী সমাজৰ সদস্যসকলৰ সৈতেও ড০ জয়শংকৰে মত বিনিময় কৰি ঘূৰ্ণী বতাহ ডিট্বাহৰ সময়ত সকাহ প্ৰদানৰ দিশত তেওঁলোকৰ অৱদানৰ শলাগ লয়। মন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীলংকাৰ বিৰোধী দলপতি চাজিদ প্ৰেমদাসাকো সাক্ষাৎ কৰি ঘূৰ্ণী বতাহ ডিট্বাহৰ পাছত ভাৰতৰ প্ৰস্তাৱিত পুনৰনিৰ্মাণ পেকেজ সন্দৰ্ভত আলোচনা কৰে।

০০০০০

ভাৰতৰ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ মৃত্যু বাৰ্ষিকীত তেওঁক শ্ৰদ্ধাঞ্জলি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ অৱদান আছিল দেশ তথা জাতিৰ বাবে এক পথ প্ৰদৰ্শক শক্তি হিচাপে বিদ্যমান। শ্ৰীৰাধাকৃষ্ণণে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক এজন দূৰদৰ্শী ৰাষ্ট্ৰনেতা আৰু সংস্কাৰক বুলি অভিহিত কৰে, যাৰ নেতৃত্বত সুদূৰ প্ৰসাৰী অৰ্থনৈতিক সংস্কাৰসমূহ আৰম্ভ হৈছিল।

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল বিশাখাপট্টনমত অনুষ্ঠিত হৈছে। খেলখনত শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ১ অভাৰত এটা উইকেট হেৰুৱাই ২ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত সম্প্ৰতি শৃংখলাত ১-০ত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত